NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি কয় যে, অমিমাংসীত গোচৰৰ সংখ্যা হ্ৰাস কৰাটো ন্যায় ব্যৱস্থাৰ বাবে এটা বৃহৎ প্ৰত্যাহ্বান।

২। অৰুণাচল প্ৰদেশৰ ৰাজ্যপাল প্ৰাক্তন লেফটেনেণ্ট জেনেৰেল কে টি পাৰনায়কে আজি **মেথোন দিৱস** উপলক্ষে ইটানগৰত **ভাৰতৰ উত্তৰ-পূৱ অঞ্চলত কৃষকৰ আয় বৃদ্ধিৰ বাবে সংহত মেথোন পালন** শীৰ্ষক দুদিনীয়া ৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ শুভাৰম্ভ কৰে।

৩। ইণ্ডিয়া পোষ্ট পেমেণ্ট বেংকৰ সপ্তম প্ৰতিষ্ঠা দিৱস উপলক্ষে যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই সৰল আৰু সুলভ সেৱাৰ জৰিয়তে বিত্তিয় অন্তৰ্ভুক্তিৰ লক্ষ্যত উপনীত হোৱাত বেংকটোৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰে।

***আৰু***

৪। পেৰিছ পেৰালিম্পিকত আজি নিশাদ কুমাৰ পুৰুষৰ হাই জাম্পৰ টি-ফৰ্টি চেভেন শিতানৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি কয় যে, অমিমাংসীত গোচৰৰ সংখ্যা হ্ৰাস কৰাটো ন্যায় ব্যৱস্থাৰ বাবে এটা বৃহৎ প্ৰত্যাহ্বান। নতুন দিল্লীৰ ভাৰত মণ্ডপমত দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত জিলা ন্যায়পালিকাৰ ৰাষ্ট্ৰীয় সন্মিলনত ভাষণ প্ৰসংগত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, অমিমাংসীত গোচৰৰ সমস্যা সমাধান কৰিবলৈ সকলো অংশীদাৰীয়ে একেলগে আগবাঢ়ি অহাটো প্ৰয়োজন। অনুষ্ঠানত ভাষণ প্ৰসংগত আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে উচ্চতম ন্যায়ালয়ৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে গৌৰৱ প্ৰকাশ কৰে। তেওঁ কয় যে, বিভিন্ন ক্ষেত্ৰত কৰ্মৰত নাগৰিকসকলৰ বাবে ন্যায় ব্যৱস্থাৰ সঠিক বাতাবৰণৰ অতি প্ৰয়োজন। ইয়াৰ জৰিয়তে নাগৰিকসকলে ৰাষ্ট্ৰনিৰ্মাণৰ বাবে নিষ্ঠাৰে কাম কৰিব পাৰিব বুলি তেওঁ প্ৰকাশ কৰে। অনুষ্ঠানত উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে কয় যে, অমিমাংসীত গোচৰৰ সংখ্যা হ্ৰাস কৰা সন্দৰ্ভত গঠিত সমিতিখনে লক্ষ্যত উপনীত হোৱাৰ বাবে কাৰ্যপন্থা প্ৰস্তুত কৰিছে। তেওঁ লগতে কয় যে, উচ্চতম ন্যায়ালয়ে শেহতীয়াকৈ প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় লোক আদালতৰ কামকাজ সুচাৰুৰূপে সম্পন্ন কৰিছে। এই সময়ছোৱাত পাঁচ দিনত প্ৰায় এহেজাৰ গোচৰ মিমাংসা কৰা হয়। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি জিলা ন্যায় পালিকাৰ ৰাষ্ট্ৰীয় সন্মিলন মুকলি কৰে।

০০০০০০০

অৰুণাচল প্ৰদেশৰ ৰাজ্যপাল প্ৰাক্তন লেফটেনেণ্ট জেনেৰেল কে টি পাৰনায়কে আজি **মেথোন দিৱস** উপলক্ষে ইটানগৰত **ভাৰতৰ উত্তৰ-পূব অঞ্চলত কৃষকৰ আয় বৃদ্ধিৰ বাবে সংহত মেথোন পালন** শীৰ্ষক দুদিনীয়া ৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ শুভাৰম্ভ কৰে। তেওঁ  মেথোন সম্পৰ্কীয় পুস্তিকা, ৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰাৰ লগতে প্ৰগতিশীল মেথোন পালকসকলক বঁটা প্ৰদান কৰে। উদ্বোধনী ভাষণত ৰাজ্যপালগৰাকীয়ে আশা প্ৰকাশ কৰে যে এই দিৱস উদযাপন আৰু ৰাষ্ট্ৰীয় আলোচনা চক্ৰই মেথোনৰ সুৰক্ষা সংৰক্ষণ আৰু অনুকূল ব্যৱহাৰৰ ওপৰত গুৰুত্বপূৰ্ণ প্ৰভাব পেলাব। তেওঁ কয় যে, উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ভিতৰত মেথোনৰ সৰ্বাধিক সংখ্যা অৰুণাচলত অৱস্থিত, যিটো সমগ্ৰ বিশ্বৰ মুঠ সংখ্যাৰ ৮৯ শতাংশ। ৰাজ্যপালগৰাকীয়ে লগতে কয় যে ৰাজ্যখনত এনে এক বিশেষ জন্তুৰ লালন-পালন কৰাৰ বাবে পালকসকলৰ লগতে অৰুণাচলপ্ৰদেশৰ জনসাধাৰণৰ বাবেও গৌৰৱৰ বিষয়।

০০০০০০০

ইণ্ডিয়া পোষ্ট পেমেণ্ট বেংকৰ আজি সপ্তম প্ৰতিষ্ঠা দিৱস উপলক্ষে যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই সৰল আৰু সুলভ সেৱাৰ জৰিয়তে বিত্তিয় অন্তৰ্ভুক্তিৰ লক্ষ্যত উপনীত হোৱাত বেংকটোৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কয় যে এই পদক্ষেপ মুকলি কৰাৰে পৰা ৯ কোটি ৮৮ লাখ ভাৰতীয়ই বেংক একাউণ্ট মুকলি কৰিছে। বিভিন্ন আঁচনিৰ ৪৫ হাজাৰ কোটি টাকৰ বিত্তিয় লাভ হিতাধিকাৰীসকললৈ আগবঢ়োৱা হৈছে বুলিও তেওঁ সদৰী কৰে। তেওঁ প্ৰতিষ্ঠানটোৰ কৰ্মচাৰীসকলক অভিনন্দন জ্ঞাপন কৰে। শ্ৰী সিন্ধিয়াই দেশজুৰি প্ৰতিখন গাঁও তথা প্ৰতিটো পৰিয়াললৈ বেংকৰ সুবিধা আগবঢ়োৱাত সংস্থাটোৰ পৰিশ্ৰম তথা প্ৰচেষ্টা সন্দৰ্ভতো আস্থা প্ৰকাশ কৰে।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কলকাতাত এগৰাকী মহিলা চিকিৎসকৰ সৈতে হোৱা ঘটনাক গৰিহণা দিছে। উপৰাষ্ট্ৰপতিগৰাকীয়ে এনে ধৰণৰ অপৰাধমূলক ঘটনাৰ সৈতে জড়িত দোষীক শাস্তি দিয়াৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায়। উত্তৰা খণ্ডৰ ঋষিকেশত আজি সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ শিক্ষাৰ্থী তথা কৰ্মচাৰীসকলক সম্বোধন কৰি দিয়া ভাষণত উপৰাষ্ট্ৰপতিগৰাকীয়ে এনে বৰ্বৰ অপৰাধেৰে মানৱতাক লজ্জানত কৰা লোকসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে। তেওঁ লগতে চিকিৎসক, নাৰ্চ, কম্পাউণ্ডাৰ তথা অন্যান্য স্বাস্থ্যকৰ্মীসকলৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। ইয়াৰ পূৰ্বে দুদিনীয়া ভ্ৰমণ সূচীৰ দ্বিতীয় দিনা উপৰাষ্ট্ৰপতিগৰাকীয়ে ডেৰাডুনৰ ৰাষ্ট্ৰীয় ভাৰতীয় সামৰিক মহাবিদ্যালয় আৰ আই এম চিৰ শিক্ষাৰ্থীসকলকো সম্বোধন কৰে। সামৰিক বিদ্যালয়সমূহত কন্যাসকলকো নামভৰ্তি কৰাৰ সুযোগ দিয়াৰ সিদ্ধান্তক তেওঁ প্ৰশংসা কৰে। তেওঁ কয় যে, সামৰিক বিদ্যালয়সমূহত যুৱতীৰ নামভৰ্তিয়ে লিংগ, ক্ষমতা তথা ন্যায় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভাবে ইতিবাচক পদক্ষেপ প্ৰতিফলিত কৰিছে। যি কোনো পৰিস্থিতিত দেশৰ স্বাৰ্থক অগ্ৰধিকাৰ দিয়াৰ দিশটোত গুৰুত্ব আৰোপ কৰি উপৰাষ্ট্ৰপতিগৰাকীয়ে আৰ আই এম চিৰ শিক্ষাৰ্তীসকলক সাহস আৰু গৌৰৱেৰে দেশ সেৱা কৰিবলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে শ্ৰী ধনখড়ে মহাবিদ্যালয় প্ৰাসংগনত গছপুলি ৰোপণ কৰি পৰিৰেশ সুৰক্ষাৰ গুৰুত্ব সন্দৰ্ভতো আলোকপাত কৰে। তেওঁ শিক্ষাৰ্থীসকলক গছপুলি ৰোপণৰ জৰিয়তে **এক পেৰ মাকে নাম** অভিযানত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পৰহিলৈ চৰকাৰী ভ্ৰমণসূচীৰে ব্ৰুনেই আৰু ছিংগাপুৰলৈ ৰাওনা হ'ব। নতুন দিল্লীত শুকুৰবাৰে সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিদেশ মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয় যে, প্ৰধানমন্ত্ৰী মোদী ব্ৰুনেইৰ ছুলতান হাজী হছনল বোলকিয়াৰ আমন্ত্ৰম মৰ্মে পৰহিলৈ ব্ৰুনেৰ ডাৰুচ্ছালামত উপস্থিত হ'ব। এয়া কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম দ্বিপাক্ষিক ব্ৰুনেই যাত্ৰা হ'ব বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰত আৰু ব্ৰুনেইৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৪০ সংখ্যক বাৰ্ষিকীৰ সময়ত প্ৰধানমন্ত্ৰী মোদী দেশখনলৈ যাব। শ্ৰীজয়ছোৱালে কয় যে, প্ৰধানমন্ত্ৰী মোদী তেওঁৰ ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী লৰেঞ্চ ৱঙৰ নিমন্ত্ৰণ মৰ্মে বুধবাৰে ছিংগাপুৰত উপস্থিত হ'ব।

০০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰ্যালয়ে গুজৰাটত বৰষুণ আৰু বানপানীয়ে কৰা ক্ষতি মূল্যায়ণ কৰাৰ বাবে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ কাৰ্যবাহী সঞ্চালকৰ নেতৃত্বত এটা আন্তঃমন্ত্ৰী পৰ্যায়ৰ কেন্দ্ৰীয় গোট– আই এম চি টি গঠন কৰিছে। গোটটোৱে শীঘ্ৰে ৰাজ্যখনৰ বান প্ৰভাবিত অঞ্চলসমূহ পৰিদৰ্শন কৰিব। উল্লেখযোগ্য যে যোৱা ২৫ৰ পৰা ৩০ আগষ্টলৈ ৰাজস্থান আৰু গুজৰাটত হোৱা গভীৰ চাপৰ ফলত ধাৰাষাৰ বৰষুণে ৰাজ্যখনৰ কেইবাটাও অঞ্চলত বিস্তৰ ক্ষতি কৰে। মধ্যপ্ৰদেশ আৰু ৰাজস্থানৰো বিভিন্ন অঞ্চলত হোৱা মজলীয়া তথা ধাৰাষাৰ বৰষুণে ব্যাপক ক্ষয়ক্ষতি কৰে। চলিত বছৰত হিমাচল প্ৰদেশৰ বিভিন্ন অঞ্চলত ধাৰাষাৰ বৰষুণ, ডাৱৰ বিস্ফোৰণ তথা ভূমিস্খলন হয়। গৃহমন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি সংশ্লিষ্ট ৰাজ্যসমূহৰ জ্যেষ্ঠ বিষয়াসকলৰ ক্ষয়ক্ষতিৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি ৰাজ্যসমূহৰ বাবে আন্তঃমন্ত্ৰী পৰ্যায়ৰ কেন্দ্ৰীয় গোট গঠন কৰা হ'ব। মন্ত্ৰ্যালয়ে লগতে প্ৰকাশ কৰিছে যে প্ৰভাৱিত ৰাজ্যসমূহলৈ সম্ভাব্য সকলো সহায় আগবঢ়োৱাৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। চলিত বৰ্ষত গৃহমন্ত্ৰ্যালয়ে গঠন কৰা আই এম চি টি গোটে অসম, কেৰালা, মিজোৰাম আৰু ত্ৰিপুৰাৰ বান প্ৰভাবিত তথা ভূমিস্খলন হোৱা অঞ্চলসমূহ পৰিদৰ্শন কৰি ক্ষতি মূল্যায়ন কৰে। নাগালেণ্ডৰ বাবেও আই এম চি টি গঠন কৰা হৈছে। এই গোটে অতি শীঘ্ৰে ৰাজ্যখনৰ প্ৰভাৱিত অঞ্চলসমূহ পৰিদৰ্শন কৰিব।

০০০০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত কাইলৈ নিশা চাৰে ন বজাত বাহকজনিত ৰোগৰ লক্ষ্যণ, প্ৰতিকাৰ আৰু চিকিৎসা সন্দৰ্ভত সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ কমিউনিটি মেডিচিন বিভাগৰ অধ্যাপক ডাঃ পুণিত মিশ্ৰ আৰু বাহকজনিত ৰোগ নিয়ন্ত্ৰণৰ ৰাষ্ট্ৰীয় কেন্দ্ৰৰ সঞ্চালক ডাঃ তনু জৈনৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি এই সন্দৰ্ভত বিশেষজ্ঞ কেইগৰাকীক প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেৱছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০০০

ভাৰতৰ কেইবাগৰাকীও খেলুৱৈ আজি পেৰিছ পেৰালিম্পিকৰ  চতুৰ্থ দিনা বিভিন্ন শিতানৰ পদকৰ যুঁজত অৱতীৰ্ণ হৈছে। ৰবি ৰংগোলীয়ে পুৰুষৰ শ্বটপুটত পঞ্চম স্থানত থমকি ৰ'ব লগা হয়।  আনহাতে নিশাদ কুমাৰে নিশা প্ৰায় ১০ বাজি ৪০ মিনিটত পুৰুষৰ হাই জাম্পৰ টি-ফৰ্টি চেভেন শিতানৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰালিম্পিকৰ মহিলাৰ ১০ মিটাৰ এয়াৰ পিষ্টলৰ এছ্ এইছ্ ৱান  শিতানত ব্ৰঞ্জৰ পদক অৰ্জন কৰাৰ বাবে ৰুবিনা ফ্ৰান্সিছক অভিনন্দন জ্ঞাপন কৰিছে।

আনহাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যম যোগে দিয়া এটা শুভেচ্ছা বাৰ্তাত কয় যে, এয়া দেশৰ বাবে সঁচাকৈয়ে গৌৰৱৰ ক্ষণ। ৰুবিনাৰ অসাধাৰণ একাগ্ৰতা, নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমে উল্লেখনীয় সফলতা কঢ়িয়াই অনা বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ডঃ মনসুখ মন্দাভিয়াও ৰুবিনাক অভিনন্দন জনাইছে।

0000000

সমাপ্ত